**Workshop on "Bihu as a Subject in H.S. Curriculum"**

Date : 26th March,2022

A discussion programme has been organised at Jhanji Hemnath Sarma College on the topic "Bihu as a Subject in H.S. Curriculum" in association with Inspector of Schools, Sivasagar and Charaideu Districts and IQAC, NSS of Jhanji Hemnath Sarma College on 26th March,2022. The session was chaired by Dr. Manjit Gogoi, Principal, Jhanji Hemnath Sarma College. Kamaljyoti Gogoi, I.S. Sivasagar and Charaideo Districts attended as the Resource person of the Seminar. The programme was hosted by Pranab Gogoi, working president, Bihu Suraksha Samiti, Dr. K. K. Handique, Renowned folk Artist , Rohini Gogoi Gogoi, Jibamoni Nath also expressed their views on the practical aspects of Bihu. The programme was also attended by the heads and teachers of various schools of both districts and express their views on the inclusion of Bihu as a Subject and its practical aspects. The programme came to an end with the both of thanks delivered by Dr. Montu Kumar Borah.



Principal
Jhanji Hemnath Sarma College

Jhanji Hemnath Sarma College
Estd. 1964
Date:
Sivasagar, Assam







Principal
Jhanji Hemnath Sarma College

...nath Sarma College
Estd: 1964
Date
Sivasagar.



# ‘পাঠ্যক্ৰম হিচাপে বিহু’ শীৰ্ষক আলোচনা সত্ৰ সম্পন্ন

**নিজা বাতৰি দিওঁতা**

**টীয়ক, ২৯ মাৰ্চ ঃ** জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ডিজিটেল সভা কক্ষত ২৬ মাৰ্চত ‘পাঠ্যক্ৰম হিচাপে বিহু’ শীৰ্ষক এখন গুৰুত্বপূৰ্ণ আলোচনা সত্ৰ অনুষ্ঠিত হয়। শিৱসাগৰ জিলা শিক্ষা বিভাগৰ কাৰ্যালয়, বিহু সুৰক্ষা সমিতি, অসমৰ শিৱসাগৰ জিলা সমিতি আৰু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত এই আলোচনা সত্ৰ অনুষ্ঠিত হয়। আলোচনা সত্ৰ সঞ্চালনা কৰে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে। মূল বক্তা হিচাপে উপস্থিত থাকে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ পূৰ্বৰ সচিব কমলজ্যোতি গগৈ। বিহু সুৰক্ষা সমিতিৰ শিৱসাগৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি তথা শিৱসাগৰৰ শিক্ষা বিভাগৰ বিষয়া প্ৰণৱ গগৈয়ে অনুষ্ঠানৰ পাত ধৰে। উক্ত অনুষ্ঠানত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, লোক সংস্কৃতিৰ গৱেষক ড° কৃষ্ণকান্ত সন্দিকৈ, বিহু সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় কৰ্ণধাৰ সমিতিৰ সদস্য ৰোহিণী শইকীয়া আৰু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক জীৱমণি নাথে বিহুৰ পাঠ্যক্ৰম আৰু ব্যৱহাৰিক দিশ সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। শিৱসাগৰ জিলা বিহু সুৰক্ষা সমিতিৰ সভাপতি লাচিত গগৈয়ে হুঁচৰিৰ এটি পদ দি আৰম্ভ কৰা আলোচনা সত্ৰত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক অধ্যাপক বিদ্যাধৰ বৰুৱা, অসমীয়া বিভাগৰ মুৰব্বী নৱনীতা বৰা, সহকাৰী অধ্যাপক উপেন চন্দ্ৰ দাস, বসন্ত সন্দিকৈ, ড° মণ্টু কুমাৰ বড়া আৰু ৰবিশংকৰ গগৈৰ লগতে শিৱসাগৰ, সোণাৰী আৰু যোৰহাট জিলাৰ উচ্চ মাধ্যমিক তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুৰব্বী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণ কৰে। উল্লেখ্য যে পৰিদৰ্শক কমল জ্যোতি গগৈয়ে উচ্চতৰ মাধ্যমিক শ্ৰেণীত বিহুক পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ পূৰ্বৰ চিন্তা আৰু বাস্তৱত ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰিক প্ৰয়োজনীয়তাৰ সম্পৰ্কত আলোকপাত কৰে। আলোচনাত নতুন বৰ্ষত শিক্ষানুষ্ঠানসমূহত বিহু পাঠ্যক্ৰম আৰম্ভ কৰাৰ সম্পৰ্কত বিভিন্ন বিষয় আলোচনা কৰা হয়। আলোচনা সত্ৰত উপস্থিত প্ৰতিনিধিসকলে পৰিদৰ্শকৰ কাৰ্যালয়, বিহু সুৰক্ষা সমিতি আৰু শিক্ষানুষ্ঠানসমূহৰ সহযোগত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত বিহু পাঠ্যক্ৰম অন্তৰ্ভুক্তিৰ লগতে বিহু কৰ্মশালা আয়োজনৰো সিদ্ধান্ত গ্ৰহণ কৰে।

Principal
Jhanji Hemnath Sarma College